**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 20-Aug-2025
**Time :** 1845 HRS

***Assamese Evening Bulletin***
**Headlines**
-------------------

০০০০০

১। চতিয়া দিৱসত অংশ লৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ চতিয়াৰ স্বাধীনতা সংগ্ৰামীৰ বীৰত্বক লৈ চলচ্চিত্ৰ নিৰ্মাণৰ আহ্বান।

২। গুৱাহাটীত ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠান স্থাপনৰ পথ প্ৰশস্ত কৰি ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠান সংশোধনী বিধেয়ক-২০২৫ৰ প্ৰতি সংসদৰ অনুমোদন।

৩। টাডা গোচৰত অভিযুক্ত ৩৮ জন আলফা সদস্যক গুৱাহাটীৰ বিশেষ টাডা আদালতৰ দোষমুক্ত ঘোষণা।

৪। চৰাইদেউ আৰু যোগীঘোপাত প্ৰশাসনৰ উচ্ছেদ অভিযান।

*আৰু*

৫। ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেলত আজি ইষ্ট বেংগল আৰু ডায়মণ্ড হাৰ্বাৰ এফ চিৰ মুখামুখি।

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি বিশ্বনাথ জিলাৰ চতিয়াত প্ৰথমবাৰৰ বাবে ৰাজ্য চৰকাৰৰ উদ্যোগত উদযাপন কৰা চতিয়া দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰি ৫ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া এখন ৰাজহুৱা উদ্যানৰ আধাৰশিলা স্থাপন কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে চতিয়া থানাত স্বাধীনতা আন্দোলনৰ ছহিদলৈ শ্ৰদ্ধাঞ্জলি জনাই ঐতিহাসিক স্বাধীনতা সংগ্ৰামৰ স্মৃতি সোঁৱৰণ কৰে। ইয়াৰ পাছতে মুখ্যমন্ত্ৰী ড০ শৰ্মাই চতিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আয়োজিত এখন জনসভাক সম্বোধন কৰে। এই সভাতে মুখ্যমন্ত্ৰীয়ে চতিয়াৰ স্বাধীনতা সংগ্ৰামীৰ বীৰত্বক বিষয়বস্তু হিচাপে লৈ বিধায়ক পদ্ম হাজৰিকাক এখন চলিচ্চত্ৰ নিৰ্মাণ কৰিবলৈ আহ্বান জনায়। প্ৰয়োজন সাপেক্ষে চৰকাৰে চলচ্চিত্ৰ নিৰ্মাণৰ বাবে আৰ্থিক সাহায্য প্ৰদান কৰিব বুলিও তেওঁ ঘোষণা কৰে।

উল্লেখযোগ্য যে ১৯৪২ চনৰ আজিৰ দিনটো চতিয়াৰ ইতিহাসত সোণালী আখৰেৰে লিখা আছে। এই দিনটোতে হাজাৰ হাজাৰ মুক্তিকামী জনতাই চতিয়া থানাত ব্ৰিটিছ ইউনিয়নৰ জেক অৱনমিত কৰি ৰাষ্ট্ৰীয়

পতাকা উত্তোলন কৰিছিল। এই দিনটো সুঁৱৰি চতিয়াবাসীয়ে প্ৰতি বছৰে চতিয়া দিৱস হিচাপে পালন কৰি আহিছে। এইবাৰ প্ৰথমবাৰৰ বাবে চৰকাৰীভাৱে চতিয়া দিৱস পালন কৰা হৈছে।

**ৱাইট (চি এম)**

০০০০০

ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠান সংশোধনী বিধেয়ক-২০২৫ আজি ৰাজ্যসভাত গৃহীত হয়। ইয়াৰ লগে লগে বিধেয়কখনে সংসদৰ উভয় সদনৰ অনুমোদন লাভ কৰে। লোকসভাই কালি বিধেয়কখন গ্ৰহণ কৰিছিল।

বিধেয়কখন সন্দৰ্ভত হোৱা বিতৰ্কৰ উত্তৰ দি কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে কয়, যে নতুন প্ৰতিষ্ঠান স্থাপন কৰিবলৈ আৰু দেশৰ সকলো প্ৰান্তৰ শিক্ষাৰ্থীক সুযোগ দিবলৈ নৰেন্দ্ৰ মোদী চৰকাৰ বদ্ধপৰিকৰ। তেওঁ কয়, যে ২০১৩ চনত মাত্ৰ চাৰে ৩ হাজাৰ বিদ্যাৰ্থী ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠানত অধ্যয়নৰত আছিল আৰু ২০২৪-২৫ বৰ্ষত এনে শিক্ষাৰ্থীৰ সংখ্যা ৯ হাজাৰ ৮০০লৈ বৃদ্ধি পাইছে। ইয়াৰ পূৰ্বে বিধেয়কখন উত্থাপন কৰি শ্ৰীপ্ৰধানে কয়, যে এই বিধেয়কখনৰ জৰিয়তে ২০১৭ চনৰ ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠান আইনখনৰ সংশোধন কৰা হ'ব। তেওঁ কয়, যে এই বিধেয়খনৰ মাধ্যমেৰে দেশৰ উত্তৰ পূৰ্বাঞ্চলৰ গুৰুত্বপূৰ্ণ কেন্দ্ৰ গুৱাহাটীত ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠান আই আই এম স্থাপনৰ পথ প্ৰশস্ত কৰিব খোজা হৈছে। তেওঁ কয়, যে বিধেয়কখনৰ বিভিন্ন ব্যৱস্থাৰ অধীনত আই আই এম গুৱাহাটীয়ে ৫৫৫ কোটি টকা লাভ কৰিব আৰু চলিত শিক্ষা বৰ্ষত প্ৰতিষ্ঠানখনত নাম ভৰ্তি আৰম্ভ হ'ব।

-বাইট (ধৰ্মেন্দ্ৰ প্ৰধান)-

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ভাৰতীয় ব্যৱস্থাপনা সংশোধনী বিধেয়ক-২০২৫ ৰাজ্যসভাত গৃহীত হোৱাটো ৰাজ্যৰ বাবে ঐতিহাসিক দিন বুলি অভিহিত কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমৰ এটা বাৰ্তাত কয়, যে বিধেয়কখন গৃহীত হোৱাৰ লগে লগে পলাশবাৰীত ৰাজ্যৰ প্ৰথমখন আই আই এম স্থাপনৰ বাট প্ৰশস্ত হ'ল। তেওঁ লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহ আৰু শিক্ষা মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ প্ৰচেষ্টাৰ বাবে এয়া সম্ভৱপৰ হৈ উঠা বুলি মন্তব্য কৰে।

০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ ৪১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, এফ এম বেণ্ডৰ ১০১ দশমিক ৬ মেগাহাৰ্টজত শুনিছে। উজনি অসমৰ শ্ৰোতাসকলে মিডিয়াম ৱেভৰ ৫২৯ দশমিক ১ মিটাৰত আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ পৰা, এফ এম বেণ্ডৰ ১০৩ দশমিক ৪ মেগা হাৰ্টজত আকাশবাণী যোৰহাট কেন্দ্ৰৰ পৰা ১০১ দশমিক ৫ মেগা হাৰ্টজত লামডিং ৰিলে কেন্দ্ৰৰ পৰা আৰু ১০২ দশমিক ৪ মেগা হাৰ্টজত আকাশবাণী তেজপুৰ কেন্দ্ৰৰ পৰা শুনিবলৈ পাইছে।

এই বাতৰি আমাৰ **ফে'চবুক পেজ-এ আই আৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙৰ** লগতে নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৱাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০

গুৱাহাটীৰ বিশেষ টাডা আদালতে টাডা গোচৰত অভিযুক্ত ৩৮ জন আলফা সদস্যক দোষমুক্ত ঘোষণা কৰিছে। ১৯৯১ চনত দিছপুৰ আৰক্ষী থানাই পঞ্জীয়ন কৰা গোচৰ পৰৱৰ্তী পৰ্য্যায়ত সন্ত্ৰাসবাদ আৰু ধ্বংসাত্মক কাৰ্য্য-কলাপ প্ৰতিৰোধ আইন চমুকৈ টাডাৰ অধীনত ২০০১ চনত পঞ্জীয়ন কৰা হয় আৰু আলফাৰ সভাপতি অৰবিন্দ ৰাজখোৱা, সেনাধ্যক্ষ পৰেশ বৰুৱাকে ধৰি মুঠ ৪৫ জনৰ বিৰুদ্ধে গোচৰ চলোৱা হয়। সুদীৰ্ঘ ৩৫ বছৰ ধৰি চলা এই গোচৰৰ বিচাৰৰ অন্তত আদালতে ইয়াৰে ৩৮ গৰাকীক দোষমুক্ত বুলি ঘোষণা কৰে। এই দোষমুক্ত ঘোষণা কৰাসকলৰ ভিতৰত আলফা নেতা- অৰবিন্দ ৰাজখোৱা, অনুপ চেতিয়া, শশধৰ চৌধুৰী, সুনীল নাথ, কল্পজ্যোতি নেওগ, ৰাজু বৰুৱা, মুনীন নবীচ আৰু অনাদৰ ঠাকুৰীয়াও আছে। অৱশ্যে, স্বাধীনপন্থী আলফাৰ সেনাধ্যক্ষ পৰেশ বৰুৱা আৰু তেওঁৰ তিনিজন সহযোগীক আদালতে পলাতক বুলি ঘোষণা কৰে। আমাৰ গুৱাহাটীৰ সংবাদদাতাই জনোৱা মতে, আৰক্ষীয়ে এই উগ্ৰপন্থী সদস্যসকলৰ বিৰুদ্ধে ৰাষ্ট্ৰৰ বিৰুদ্ধে যুদ্ধ ঘোষণা, বলপূৰ্বক ধন দাবীকে ধৰি কেইবাটাও অভিযোগত অভিযোগনামা দাখিল কৰিছিল। সমস্ত বিচাৰ প্ৰক্ৰিয়াত আদালতে সৰ্বমুঠ ৩৭ জন সাক্ষীৰ ভাষ্য গ্ৰহণ কৰে। বিচাৰাধীন অৱস্থাতে কেইবাগৰাকীও অভিযুক্তৰ মৃত্যুও হয় বুলি আমাৰ সংবাদদাতাই জনাইছে।

ooooo

চৰাইদেউ জিলাৰ মথুৰাপুৰত থকা ঐতিহাসিক ভূঞা পুখুৰীৰ মাটি অধিকাৰ কৰি বাসগৃহ নিৰ্মাণ কৰা দুটা পৰিয়ালৰ বিৰুদ্ধে আজি চৰাইদেউ জিলা প্ৰশাসনে উচ্ছেদ চলায়। জিলা প্ৰশাসনে দখলকাৰী হিচাপে চিনাক্ত হোৱা অনু বেগম আৰু মবিদুল ইছলামৰ বাসগৃহ ভাঙি দিয়াৰ লগতে পুখুৰীৰ মাটি দখলমুক্ত কৰাৰ প্ৰক্ৰিয়া আৰম্ভ কৰে। পৰিয়াল দুটাই বহু দিনৰে পৰাই ভূঞা পুখুৰীৰ মাটি দখল কৰি আছিল। যোৱা ৯ আগষ্টত দখলকাৰী পৰিয়ালৰ এগৰাকী সদস্যই চৰাইদেউৰ এগৰাকী জ্যেষ্ঠ সাংবাদিকক ৰাজপথতে আক্ৰমণ কৰি অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি কৰিছিল। এই ঘটনাৰ পাছতে ঐতিহাসিক সম্পদৰ সুৰক্ষাৰ দাবীত ১১ আগষ্টত স্থানীয় দল-সংগঠনে ন্যায় বিচাৰি দখলকাৰীৰ বিৰুদ্ধে উচ্ছেদৰ দাবীৰে ঐতিহাসিক ধোদৰ আলি অৱৰোধ কৰিছিল। উল্লেখযোগ্য যে চৰাইদেউ জিলাৰ ভূঞা পুখুৰী অঞ্চলটোৰ সংস্কৃতিক আৰু ঐতিহাসিক তাৎপৰ্য গ্ৰহণ কৰা আহোম যুগৰ এটা গুৰুত্বপূৰ্ণ কীৰ্তিচিহ্ন।

ooooo

বঙাইগাঁও জিলাৰ বৈটামাৰী ৰাজহ চক্ৰৰ অধীনৰ যোগীঘোপাৰ খেতাপাৰাত আজি জিলা প্ৰশাসনে উচ্ছেদ অভিযান চলায়। জল পৰিবহণ বিভাগৰ প্ৰায় ২০ বিঘা ভূমি দখল কৰি বসবাস কৰি থকা ১৩০টা পৰিয়ালক প্ৰশাসনে উচ্ছেদ কৰে। জিলা প্ৰশাসনে কালিও যোগীঘোপাৰ তিনিআলি বজাৰৰ প্ৰায় ১০ বিঘা ভূমিত থকা এশখন দোকান আৰু যোগীঘোপা থানাৰ সমীপৰ পথৰ দাঁতিত থকা ৭০ খন দোকান উচ্ছেদ কৰি ভূমি দখলমুক্ত কৰিছিল।

ooooo

কৃষি মন্ত্ৰী অতুল বৰাই আজি জনতা ভৱনত কৃষি বিভাগৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হয় আৰু বিভাগীয় কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়। বৈঠকত মন্ত্ৰীগৰাকীয়ে ৰাজ্যৰ কেইখনমান জিলাৰ ধাননীত শেহতীয়াকৈ শূঁৰ পোকৰ আক্ৰমণ ৰোধ কৰাৰ বাবে বিষয়াসকলৰ সৈতে আলোচনা কৰে আৰু শূঁৰ পোককে ধৰি সকলো কীট-পতংগৰ আক্ৰমণ নিয়ন্ত্ৰণৰ বাবে ক্ষীপ্ৰতাৰে পদক্ষেপ ল'বলৈ বিষয়াসকলক নিৰ্দেশ

দিয়ে। বৈঠকত শেহতীয়া বান আৰু খৰাং পৰিস্থিতিৰ বাবে খেতিয়কসকল সন্মুখীন হোৱা লোকচানৰ প্ৰতি লক্ষ্য ৰাখি ৰবি শস্যৰ বতৰত খেতিয়কসকলৰ হিতাৰ্থে সময়মতে সহায়-সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়। মন্ত্ৰীগৰাকীয়ে লগতে পি এম কিষাণ, উত্তৰ পূৰ্বাঞ্চলৰ বাবে জৈৱিক মূল্য শৃংখল বিকাশ অভিযান, কৃষি জ্ঞান কেন্দ্ৰ নিৰ্মাণ আঁচনিকে ধৰি ৰাজ্যখনত ৰূপায়ণ হৈ থকা বিভিন্ন কৃষি আঁচনি আৰু প্ৰকল্পৰ শেহতীয়া স্থিতিৰ বুজ লয়। তেওঁ লগতে কাজিৰঙাৰ কহৰাত নিৰ্মিয়মান উদ্যানখনৰ লগতে দৰংগিৰিৰ কলৰ পাইকাৰী বজাৰখনৰ নিৰ্মাণকাৰ্য্য শীঘ্ৰে সম্পূৰ্ণ কৰিবলৈ বিষয়াসকলক নিৰ্দেশ দিয়ে। বৈঠকত কৃষকৰ বাবে বীজ বিতৰণ আৰু বিভাগৰ সৈতে জড়িত গুৰুত্বপূৰ্ণ বিষয়সমূহে স্থান লাভ কৰে। কৃষি বিভাগৰ আয়ুক্ত সচিব তথা কৃষি উৎপাদন আয়ুক্ত অৰুণা ৰাজ'ৰিয়া, কৃষি বিভাগৰ সঞ্চালক ডাঃ পি উদয় ৰবীন, কৃষি সচিব তেজ প্ৰসাদ ভূষাল, যুটীয়া সচিব গুণজিৎ কাশ্যপকে ধৰি ভালেসংখ্যক শীৰ্ষ বিষয়া উপস্থিত থাকে।

০০০০০

এন ডি এৰ উপ-ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী চি পি ৰাধাকৃষ্ণনে আজি সংসদভৱনত মনোনয়ন পত্ৰ দাখিল কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহ, ৰাজনাথ সিং, জে পি নাড্ডা, কিৰেন ৰিজিজু আৰু এন ডি এ মিত্ৰজোঁটৰ কেইবাগৰাকীও জ্যেষ্ঠ নেতাই মনোনয়ন পত্ৰ দাখিল পৰ্বত উপস্থিত থাকে।

ইপিনে উপ-ৰাষ্ট্ৰপতি পদৰ নিৰ্বাচনৰ বাবে বিৰোধীৰ INDI মিত্ৰজোঁটে অন্ধ্ৰ প্ৰদেশৰ বি সুদৰ্শন ৰেড্ডীক প্ৰাৰ্থীৰূপে মনোনীত কৰিছে। সৰ্বোচ্চ ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশ বি সুদৰ্শন ৰেড্ডীৰ নাম কালি কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গেই ঘোষণা কৰে। বিৰোধীৰ INDI মিত্ৰজোঁটে বৈঠকৰ অন্তত প্ৰাক্তন ন্যায়াধীশগৰাকীক উপ-ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী হিচাপে বাছনি কৰে। কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গেৰ বাসগৃহত অনুষ্ঠিত বৈঠকৰ পাছতে INDI মিত্ৰজোঁটৰ অন্যতম নেতা তথা NCP-ৰ শাৰদ পাৱাৰ গোটৰ মুৰব্বী শাৰদ পাৱাৰ আৰু মল্লিকাৰ্জুন খাৰ্গেই সংবাদমেলত বি সুদৰ্শন ৰেড্ডীৰ নাম ঘোষণা কৰে।

অহা ৯ ছেপ্তেম্বৰত উপ-ৰাষ্ট্ৰপতি পদৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব। কাইলৈ মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন। ২২ আগষ্টত মনোনয়ন পত্ৰ পুনৰীক্ষণ কৰা হ'ব আৰু মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন ২৫ আগষ্ট ধাৰ্য কৰা হৈছে।

০০০০০

গুৱাহাটীৰ চৰকাৰী চাৰু-কাৰু কলা মহাবিদ্যালয়ৰ নৱ-নিৰ্মিত শৈক্ষিক আৰু পুথিভঁৰাল ভৱন আজি সাংস্কৃতিক মন্ত্ৰী বিমল বৰাই উদ্বোধন কৰে। উদ্বোধনী ভাষণত মন্ত্ৰীগৰাকীয়ে ১৯৭০ চনত প্ৰতিষ্ঠিত গুৱাহাটীৰ চৰকাৰী চাৰু-কাৰু কলা মহাবিদ্যালয়ে একো গৰাকী পৰিপূৰ্ণ শিল্পী গঢ়ি তোলাৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে বুলি প্ৰকাশ কৰে। আজি উদ্বোধন কৰা ভৱনে পৰৱৰ্তী প্ৰজন্মৰ শিল্পীসকলক উন্নত প্ৰশিক্ষণৰ সুবিধা দিয়াৰ লগতে ৰাজ্যত শিল্প সাধনাৰ উপযুক্ত পৰিৱেশ সৃষ্টিত সহায় কৰিব বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। মহাবিদ্যালয়খনৰ আন্তঃগাঁথনি উন্নীতকৰণৰ বাবে ৰাজ্য চৰকাৰে এই বছৰতে ১ কোটি টকা আগবঢ়াব বুলি মন্ত্ৰীগৰাকীয়ে ঘোষণা কৰে।

-বাইট-

০০০০০

স্বাধীনতা সংগ্ৰামৰ উত্তৰ পূৰ্বাঞ্চলৰ সংগ্ৰামীসকলৰ প্ৰতি শ্ৰদ্ধাৰ্ঘ্য জনোৱাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত পৰাক্ৰমী পূৰ্বোত্তৰ নাট মেলাত আজি কৰুণা ডেকা ৰচিত আৰু গুণাকৰ দেৱ গোস্বামী পৰিচালিত নাট অম্বিকাগিৰী মঞ্চস্থ কৰা হৈছে। গুৱাহাটীৰ পূৰ্বৰংগ গোষ্ঠীয়ে শ্ৰীশ্ৰী মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত এই নাটখন মঞ্চস্থ কৰিছে। নাটখন বিয়লি ৫ বজাত আৰু সন্ধিয়া চাৰে সাত বজাত দুটা দৰ্শনীত মঞ্চস্থ কৰা হৈছে। কাইলৈ সামৰণি সন্ধিয়া নাট্যকাৰ সপোনজ্যোতি ঠাকুৰ আৰু সীমান্ত ফুকনৰ পৰিচালনাৰে ডেৰগাঁৱৰ নৰ্থ ইষ্ট থিয়েটাৰ একাডেমীয়ে চন্দ্ৰপ্ৰভা নাটখন মঞ্চস্থ কৰিব।

০০০০০

শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি জনতা ভৱনৰ পৰা জিলা আয়ুক্ত, অতিৰিক্ত আয়ুক্ত, বিদ্যালয় পৰিদৰ্শক আৰু মহাবিদ্যালয়ৰ অধ্যক্ষসকলৰ সৈতে ভাৰ্চুৱেল ব্যৱস্থাৰে নৱ ভাৰত সাক্ষৰতা কাৰ্যসূচী **উল্লাস** সম্পৰ্কে আলোচনা কৰে। বৈঠকত শিক্ষামন্ত্ৰীগৰাকীয়ে প্ৰতিখন জিলাত এই আঁচনিৰ অধীনত চলি থকা কাৰ্যক্ৰমৰ পৰ্যালোচনাৰ লগতে আসন্ন পৰীক্ষাৰ প্ৰস্তুতিৰ বাবে জিলা প্ৰশাসন আৰু অধ্যক্ষসকলক যাৱতীয় নিৰ্দেশ দিয়ে। শিক্ষা লাভৰ পৰা বঞ্চিত দেশৰ ১৫ বছৰ তাতকৈ অধিক বয়সৰ সকলো প্ৰাপ্তবয়স্ক লোকক সাক্ষৰতামূলক কাৰ্যসূচীৰে সৱল কৰি তুলি ৰাষ্ট্ৰৰ উন্নয়নত অৰিহণা যোগাবলৈ সমৰ্থ কৰি তোলাৰ উদ্দেশ্যে এই আঁচনি ৰূপায়ণ কৰা হৈছে। ইয়াৰ অধীনত লিখা পঢ়াৰ লগতে জীৱনৰ কৌশল সম্পৰ্কে শিক্ষাদানেৰে শিকনৰ প্ৰতি উৎসাহিত কৰা হয়।

০০০০০

বিধানমণ্ডল, কাৰ্য্যপালিকা আৰু ন্যায়পালিকাৰ পাছতেই গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰূপে সংবাদ মাধ্যমে স্থান লাভ কৰি আহিছে। পৰিৱৰ্তিত সময়ত এই চতুৰ্থ স্তম্ভৰ লগতে পঞ্চম স্তম্ভৰো প্ৰয়োজন আহি পৰিছে নেকি ? বা সংবাদ মাধ্যমে সৰ্বসাধাৰণ জনতাৰ আস্থা অটুট ৰাখিব পাৰিছেনে ?

এনেবোৰ প্ৰশ্নৰ উত্তৰ বিচাৰি অহা শনিবাৰ-২৩ আগষ্টৰ নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাতত লগ পাব একালত সক্ৰিয় সাংবাদিকতাত জড়িত কেইগৰাকীমান বিশিষ্ট সাংবাদিকক।

এই অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণী বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০

ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাত আজি কলকাতাত হ'বলগীয়া দ্বিতীয়খন ছেমি ফাইনেলত ইষ্ট বেংগল প্ৰথমবাৰৰ বাবে প্ৰতিযোগিতাত ভাগ লোৱা ডায়মণ্ড হাৰ্বাৰ এফ চিৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। আজি খেলখনত জয়লাভ কৰা দলটো ফাইনেলত নৰ্থ ইষ্ট ইউনাইটেড এফ চিৰ সন্মুখীন হ'ব।

ইপিনে, যোৱাবাৰৰ ছেম্পিয়ন নৰ্থ ইষ্ট ইউনাইটেড এফ চিয়ে কালি শ্বিলঙৰ জৱাহৰলাল নেহৰু ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ প্ৰথমখন ছেমিফাইনেলত শ্বিলং লাজং এফ চিক ১-০ গ'লত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰিছে।

০০০০০

ৰাধা গোবিন্দ বৰুৱা সোঁৱৰণী ১৬ বছৰ অনূৰ্ধ ল'ৰাৰ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেল ৰাউণ্ডৰ তৃতীয়খন খেলত অসম ক্ৰিকেট সন্থাৰ সভাপতি একাদশে ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাৰ বিৰুদ্ধে এক ইনিংছ আৰু ১৩২ ৰানৰ ব্যৱধানত জয়লাভ কৰি ফাইনেলত প্ৰৱেশ কৰিছে। মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ আতিথ্য আৰু ক্ৰিকেট উপ-সমিতিৰ তত্বাৱধানত ক্ষীৰোদ বৰুৱা ষ্টেডিয়ামত অনুষ্ঠিত আজি দ্বিতীয় দিনাৰ খেলত সভাপতি একাদশে প্ৰথম ইনিংছত ১০ উইকেটৰ বিনিময়ত ২৩৯ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাই দ্বিতীয় ইনিংছত আটাইকেইটা উইকেট হেৰুৱাই মাত্ৰ ৫৮ ৰানহে কৰিবলৈ সমৰ্থ হয়। সভাপতি একাদশৰ হৈ ৮টা উইকেট দখল কৰা অনিকেট সিঙে শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা লাভ কৰে।

ooooo

**সমাপ্ত**